# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 18-03-2025
**Time :** 1340 hrs

ASSAMESE MIDDAY BULLETIN
## HEADLINES
::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে প্ৰয়াগৰাজৰ মহাকুম্ভই বিকশিত ভাৰতৰ ধাৰণাক প্ৰতিফলিত কৰিলে আৰু সমগ্ৰ বিশ্ব ভাৰতৰ শক্তিৰ সাক্ষী হ'ল।

২। বিগত ৯ মাহ ধৰি আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত আবদ্ধ হৈ থকা মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু বাট্‌ছ উইলম'ৰ পৃথিৱী অভিমুখে আহি আছে।

৩। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে আজি বিয়লি নতুন দিল্লীত আধাৰ চিনাক্তকৰণ নম্বৰক ভোটাৰ প্ৰমাণপত্ৰৰ সৈতে সংযোজিত কৰাৰ সন্দৰ্ভত এখন বৈঠকত মিলিত হ'ব।

৪। গাজা ষ্ট্ৰিপত ইজৰাইলে আজি বিমান আক্ৰমণ চলাই ২০০ৰো অধিক পেলেষ্টাইনী লোকক হত্যা কৰাৰ পাছতে ইজৰাইল আৰু হামাছৰ মাজৰ যুদ্ধ বিৰতি ভংগ হৈছে। *আৰু*

৫। ভাৰতৰ পুৰুষ আৰু মহিলা উভয় দলে আজি চলিত বৰ্ষৰ কাবাডী বিশ্বকাপ প্ৰতিযোগিতাত নিজ নিজ শাখাত অৱতীৰ্ণ হ'ব।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে প্ৰয়াগৰাজৰ মহাকুম্ভই বিকশিত ভাৰতৰ ধাৰণাক প্ৰতিফলিত কৰিলে আৰু সমগ্ৰ বিশ্ব ভাৰতৰ শক্তিৰ সাক্ষী হ'ল। তেওঁ কয়, যে অনৈক্যৰ মাজত ঐক্য হৈছে ভাৰতৰ বিশেষত্ব আৰু অলপতে সামৰণি মহাকুম্ভত এয়া প্ৰত্যক্ষ কৰা গ'ল। লোকসভাত আজি মহাকুম্ভ সন্দৰ্ভত এটা বিবৃতি দি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে সমগ্ৰ বিশ্বই প্ৰত্যাহ্বানৰ মাজেৰে গৈ থকাৰ সময়ত ঐক্যৰ এই মহামিলন হৈছে দেশৰ সৰ্ববৃহৎ শক্তি।

আনহাতে জল সংৰক্ষণৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰি শ্ৰীমোদীয়ে কয়, যে ভাৰতত বহু নদ-নদী আছে আৰু ইয়াৰে কিছুসংখ্যক নদী বিলুপ্তপ্ৰায় হ'বলৈ ধৰিছে। তেওঁ মহাকুম্ভৰ দ্বাৰা অনুপ্ৰাণিত হৈ নদী উৎসৱ পালন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ জৰিয়তে নৱপ্ৰজন্মক জল সংৰক্ষণৰ গুৰুত্ব সন্দৰ্ভত অৱগত কৰিব পৰা যাব বুলি তেওঁ উল্লেখ কৰে। প্ৰয়াগৰাজৰ মহাকুম্ভৰ সফলতাৰ প্ৰশংসা কৰি শ্ৰীমোদীয়ে কয়, যে এই ঐতিহাসিক অনুষ্ঠানে দেশবাসীক বিভিন্ন ধৰণে অনুপ্ৰাণিত কৰিলে। শ্ৰীমোদীৰ বক্তব্যৰ পাছতে বিৰোধী পক্ষৰ সদস্যসকলে প্ৰধানমন্ত্ৰীক কি অধিনিয়মৰ অধীনত বক্তব্য আগবঢ়াবলৈ অনুমতি দিয়া হ'ল বুলি প্ৰশ্ন উত্থাপন কৰি সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে। অধ্যক্ষ ওম বিৰলাই প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰীসকলে সদনত বিবৃতি দিয়াৰ নিয়ম আছে বুলি স্পষ্ট কৰি দিয়ে।

oooooo

বিগত ৯ মাহ ধৰি আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত আবদ্ধ হৈ থকা মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু বাট্‌ছ উইলম'ৰ পৃথিৱী অভিমুখে আহি আছে। নাছাই প্ৰকাশ কৰা তথ্য অনুসৰি স্পেচএক্সৰ ড্ৰেগন মহাকাশযানেৰে মহাকাশচাৰী দুগৰাকী ভাৰতীয় সময় অনুসৰি আজি  দিনৰ ১০ বাজি ৩৫ মিনিটত

আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ পৰা পৃথিৱী অভিমুখে যাত্ৰা কৰিছে। প্ৰায় ১৭ ঘণ্টা যাত্ৰাৰ অন্তত তেওঁলোক কাইলৈ পুৱতি নিশা ৩ বাজি ২৭ মিনিটত পৃথিৱীত অৱতৰণ কৰিব বুলি নাছাৰ সূত্ৰই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে বয়িং ষ্টাৰলাইনাৰ মহাকাশযানৰ কাৰিকৰী বিজুতিৰ বাবে বিগত বৰ্ষৰ জুনৰ পৰাই মহাকাশচাৰী দুগৰাকী আন্তঃৰাষ্ট্ৰীয় মকাকাশ কেন্দ্ৰত আৱদ্ধ হৈ আছিল।

000000

মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে আজি বিয়লি নতুন দিল্লীত আধাৰ চিনাক্তকৰণ নম্বৰক ভোটাৰ প্ৰমাণপত্ৰৰ সৈতে সংযোজিত কৰাৰ সন্দৰ্ভত এখন বৈঠকত মিলিত হ'ব। মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে এই সন্দৰ্ভত গৃহ মন্ত্ৰ্যালয় আৰু বিধায়িনী বিভাগৰ সচিব আৰু ভাৰতীয় একক চিনাক্তকৰণ প্ৰাধিকৰণ অৰ্থাৎ ইউ আই ডি এ আই-ৰ মুখ্য কাৰ্যবাহী বিষয়াৰ সৈতে আলোচনা মিলিত হ'ব। নিৰ্বাচন আয়োগে দীৰ্ঘদিনীয়া নিৰ্বাচনী প্ৰত্যাহ্বানসমূহ দূৰ কৰাৰ উদ্দেশ্যে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত ৩ মাহৰ ভিতৰত ভুৱা ভোটাৰ প্ৰমাণপত্ৰৰ বিষয়টো সমাধান কৰা, বুথ পৰ্যায়, ভোটগ্ৰহণ আৰু ভোট গণনা আদিৰ সৈতে জড়িত লোকসকলক প্ৰশিক্ষণ দিয়া আদি কাৰ্য সামৰি লোৱা হৈছে। তদুপৰি ভোটকেন্দ্ৰসমূহত যাতে ভোটদাতাসকলে বহু সময় ধৰি অপলেক্ষা কৰিবলগীয়া নহয় তাৰ বাবেও নিৰ্বাচন আয়োগে ব্যৱস্থা লৈছে। সেই অনুসৰি নিৰ্বাচন আয়োগে ভোটকেন্দ্ৰসমূহত দীঘলীয়া শাৰী বন্ধ কৰাৰ বাবে ভৱিষ্যতে একোটা ভোটকেন্দ্ৰত এহেজাৰ ২০০তকৈ অধিক ভোটদাতা থাকিব নোৱাৰিব বুলি ঘোষণা কৰিছে।

000000

জ্যেষ্ঠ কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীয়ে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনি, এমজি এনৰেগাৰ অধীনত ন্যূনতম ভাট্টা পূৰ্বৰ তুলনাত বৃদ্ধি কৰিবলৈ দাবী জনাইছে। ৰাজ্যসভাৰ শূন্যকালত আজি কংগ্ৰেছ নেত্ৰীগৰাকীয়ে এই বিষয়টো উত্থাপন কৰি চৰকাৰে এই আঁচনিখনক অৱহেলা কৰা বুলি অভিযোগ কৰে। তেওঁ কয়, যে এমজি এনৰেগা আঁচনিৰ বাবে চৰকাৰে ৮৬ হাজাৰ কোটি টকা আৱণ্টনতে সীমাবদ্ধ ৰাখিছে। তেওঁ এই আঁচনিৰ হিতাধিকাৰীৰ সংখ্যা বৃদ্ধি তথা ন্যূনতম ভাট্টা বৃদ্ধি কৰাৰ ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ বৰ্তমানৰ চৰকাৰক দাবী জনায়।

000000

গাজা ষ্ট্ৰিপত ইজৰাইলে আজি বিমান আক্ৰমণ চলাই ২০০ৰো অধিক পেলেষ্টাইনী লোকক হত্যা কৰাৰ পাছতে ইজৰাইল আৰু হামাছৰ মাজৰ যুদ্ধ বিৰতি ভংগ হৈছে। পেলেষ্টাইনৰ স্বাস্থ্য কৰ্তৃপক্ষই জনোৱা মতে আজি নিচেই পুৱাতে ইজৰাইলৰ বাহিনীয়ে চলোৱা বিমান আক্ৰমণত মহিলা আৰু শিশুকে ধৰি কমেও ২০০ জন লোকৰ মৃত্যু হৈছে। যোৱা ১৯ জানুৱাৰীত যুদ্ধ বিৰতি আৰম্ভ হোৱাৰ পাছত প্ৰায় দুমাহৰ অন্তত ইজৰাইলে এই সামৰিক আক্ৰমণ চলায়। ইজৰাইলৰ সামৰিক বাহিনীয়ে উত্তৰ গাজা, গাজা চহৰ, ডেইৰ-অল-বালা, খান ইউনিছ, ৰাফা আৰু মধ্য আৰু দক্ষিণ গাজাকে ধৰি বিভিন্ন অঞ্চলত বিমান আক্ৰমণ চলায়। ইজৰাইলে প্ৰয়োজন সাপেক্ষে এনে সামৰিক অভিযান চলাই যাব বুলি সতৰ্ক কৰি দিয়াৰ লগতে অতি সোনকালে স্থল সেনাকো এই সংঘৰ্ষত পুনৰ চামিল হ'বলৈ পৰামৰ্শ দিছে। ইপিনে হামাছৰ বিষয়াই ইজৰাইলে একপক্ষীয়ভাৱে যুদ্ধ বিৰতিৰ চুক্তি ভংগ কৰিছে বুলি অভিযোগ কৰি এই যুদ্ধ বিৰতি ভংগই এতিয়াও গাজাত বন্ধী হৈ থকা প্ৰায় ২৪ গৰাকী পণবন্দীৰ জীৱনলৈ বিপদ মাতি আনিছে বুলি উল্লেখ কৰে। ইজৰাইলৰ প্ৰতিৰক্ষা মন্ত্ৰী ইজৰাইল কাট্‌জে এই পণবন্দীসকলক মুকলি কৰি নিদিলে গাজাৰ

পৰিস্থিতি আৰু ভয়াভৱ হ'ব বুলি সতৰ্ক কৰি দিছে। উল্লেখযোগ্য যে ২০২৩ চনৰ ৭ অক্টোবৰত  হামাছে দক্ষিণ ইজৰাইলৰ সীমান্ত অঞ্চলত আক্ৰমণ চলাই বহুসংখ্যক অসামৰিক লোককে ধৰি প্ৰায় এহেজাৰ ২০০ লোকক হত্যা কৰাৰ লগতে ২৫১ জনক পণবন্দী কৰি ৰাখেছ। ইজৰাইলে ইয়াৰ পাছৰ পৰাই হামাছৰ বিৰুদ্ধে ব্যাপক সামৰিক অভিযান চলাই আহিছে।

০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে নিৰপেক্ষ আৰু শক্তিশালী আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাৰ প্ৰয়োজনীয়তাৰ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীত **ৰাইছিনা ডায়লগ** শীৰ্ষক ভূ-ৰাজনৈতিক আৰু ভূ-অৰ্থনৈতিক সন্মিলনত ৰাষ্ট্ৰৰ অখণ্ডতা ৰক্ষা সন্দৰ্ভত এখন সত্ৰত ভাষণ দি ড০ জয়শংকৰে কয়, যে এটা শক্তিশালী আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থা অবিহনে কেৱল উন্নত দেশসমূহ উপকৃত হোৱাই নহয় বৰং ক্ষুদ্ৰ ৰাষ্ট্ৰসমূহক বিপদৰ সন্মুখীন হ'বলৈ আৰু প্ৰতিষ্ঠিত নিয়মসমূহক প্ৰত্যাহ্বান জনাবলৈ সক্ষম কৰি তোলে।

ড০ জয়শংকৰে পাকিস্তানে অবৈধভাৱে কাশ্মীৰত অধিকাৰ সাব্যস্ত কৰাৰ উদাহৰণ দাঙি ধৰি ভাৰতৰ সাৰ্বভৌমত্ব আৰু আঞ্চলিক অখণ্ডতাৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে। এইক্ষেত্ৰত তেওঁ ৰাষ্ট্ৰসংঘৰ ভূমিকাৰ সমালোচনা কৰি ব্ৰিটেইন, কানাডা আৰু আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ দৰে ৰাষ্ট্ৰসমূহৰ ভূমিকাক লৈ প্ৰশ্ন উত্থাপন কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ম্যানমাৰ আৰু পশ্চিমীয়া দেশসমূহত সেনাৰ অভ্যুত্থানক লৈ পৃথক পৃথক আন্তঃৰাষ্ট্ৰীয় প্ৰতিক্ৰিয়াৰ কথা উল্লেখ কৰি এনে বিষয়ত আন্তঃৰাষ্ট্ৰীয় মান নিৰপেক্ষ আৰু নিৰ্দিষ্ট হ'ব লাগে বুলি মন্তব্য কৰে। তেওঁ লগতে বিগত ৮ বছৰত বিভিন্ন আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাসমূহৰ সূক্ষ্ম পৰ্যালোচনাৰ বাবে আহ্বান জনায়।

০০০০০০

**লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি দিল্লী বিধানসভাৰ নৱনিৰ্বাচিত সদস্যসকলৰ বাবে দুদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ উদ্বোধন কৰে। বিধায়কসকলক উদ্দেশি শ্ৰী বিৰলাই কয়, যে ফলপ্ৰসূ জনপ্ৰতিনিধি হ'বলৈ হ'লে তেওঁলোকে সংবিধানৰ লগতে সদনৰ নিয়ম আৰু পদ্ধতিৰ বিষয়ে বিস্তৃত জ্ঞান আহৰণ কৰিব লাগিব। সদনৰ আলোচনাত বিধায়কসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব লাগে বুলিও তেওঁ প্ৰকাশ কৰে। বিধায়কসকলৰ কাম কৰাৰ পদ্ধতি আৰু দায়িত্ব সন্দৰ্ভত আলোকপাত কৰি অধ্যক্ষগৰাকীয়ে কয়, যে নতুন চৰকাৰৰ পৰা জনসাধাৰণে বহু আশা কৰে। তেওঁ লগতে কয় যে যিকোনো বিষয়ত অৰ্থপূৰ্ণ আলোচনাৰ জৰিয়তে মৰ্যাদাপূৰ্ণভাৱে মতানৈক্য প্ৰকাশ কৰা উচিত।**

**সংসদীয় গণতন্ত্ৰত বিৰোধীৰ ভূমিকা ইতিবাচক আৰু গঠনমূলক হ'ব লাগে বুলিও লোকসভাৰ অধ্যক্ষগৰাকীয়ে প্ৰকাশ কৰে। দুদিনীয়া এই প্ৰশিক্ষণ কাৰ্যসূচীৰ সময়ত সুশাসন, নীতি নিৰ্ধাৰণ আৰু আইনগত বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰা হ'ব।**

০০০০০০

ভাৰতৰ পুৰুষ আৰু মহিলা উভয় দলে আজি ইংলেণ্ডৰ অ'লভাৰ হেমটনত আয়োজিত চলিত বৰ্ষৰ কাবাডী বিশ্বকাপ প্ৰতিযোগিতাত নিজ নিজ শাখাত অৱতীৰ্ণ হ'ব। মহিলাৰ দলটোৱে গ্ৰুপ ডিৰ এখন খেলত ৱেলছৰ মুখামুখি হোৱাৰ বিপৰীতে পুৰুষ দলটো গ্ৰুপ-বিৰ এখন খেলত স্কটলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ

হ'ব। ভাৰতীয় সময় অনুসৰি খেল দুখন ক্ৰমে বিয়লি চাৰে পাঁচ বজাত আৰু নিশা চাৰে ১০ বজাত অনুষ্ঠিত হ'ব।

কালি আৰম্ভ হোৱা প্ৰতিযোগিতাখনত ভাৰতৰ পুৰুষ দলটোৱে ইতিমধ্যে ইটালীৰ বিৰুদ্ধে জয়েৰে অভিযানৰ পাতনি মেলিছে।

০০০০০০

**সমাপ্ত**